আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত News Next Oneৰ বিশেষ সংযোজন অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, FEBRUARY 20, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৫৪ Guwahati, Assam ।। মূল্যঃ এটকা

# ভাৰাঘৰত দিন কটাইছে প্ৰাক্তন মন্ত্ৰী ৰমণী বৰ্মনে

**হিৰণ্য কুমাৰ ভট্টাচাৰ্য, নলবাৰী, ২০ ফেব্ৰুৱাৰীঃ** এতিয়াৰ নেতাই এবাৰ জনপ্ৰতিনিধি হ'ব পাৰিলেই হ'ল। জনপ্ৰতিনিধি হৈয়েই কোটি কোটি টকাৰ ধন-সম্পত্তি আহৰণ কৰে। গুৱাহাটী মহানগৰীত বিলাসী অট্টালিকা,



চাৰিখন-পাচখন বিলাসী বাহন ক্ৰয় কৰে। এতিয়াৰ জনপ্ৰতিনিধিয়ে কোটি কোটি টকাৰ জমি ক্ৰয় কৰে। লাহ-বিলাহত উটি ভাঁহি যায়। দুৰ্নীতিৰ টকাৰে পৰৱৰ্তী কেইবাটাও প্ৰজন্মই সুখেৰে খাব পৰাকৈ কোৱাণেৰে ধন গোটায়। শেষাংশ ৪ পৃষ্ঠাত

# সৰ্বোচ্চ আদালতৰ হস্তক্ষেপত মুখথেকেচা খালে বিজেপিয়ে!

## চণ্ডীগড়ৰ মেয়ৰ পদ পালে আপ-কংগ্ৰেছৰ প্ৰাৰ্থীয়ে

নতুন দিল্লী, ২০ ফেব্ৰুৱাৰীঃ **অসৎ পথ অৱলম্বন কৰিও উদয় নহ'ল বিজেপিৰ ভাগ্য। লোকসভা নিৰ্বাচনৰ পূৰ্বে 'অপ্ৰতিৰোধ্য' বিজেপিক হৰুৱাই চণ্ডীগড়ৰ মেয়ৰ নিৰ্বাচনত বৃহৎ সাফল্য অৰ্জন কৰিলে আম আদমী পাৰ্টী আৰু কংগ্ৰেছৰ মিত্ৰজোঁটে। বিতৰ্কিত মেয়ৰ নিৰ্বাচনক লৈ সূত্ৰপাত ঘটা বিবাদত হস্তক্ষেপ কৰি উচ্চতম ন্যায়ালয়ে আজি ইণ্ডিয়া মিত্ৰজোঁটৰ প্ৰাৰ্থী কুলদ্বীপ কুমাৰক চণ্ডীগড়ৰ নতুন মেয়ৰৰূপে** শেষাংশ ২ পৃষ্ঠাত

# সকলোৰে গৈয়েই আছে, ৰ'ব কোন?

**ই-সংবাদ, ২০ ফেব্ৰুৱাৰীঃ** অসমত কংগ্ৰেছৰ বৰঘৰত জ্বলিছে একুৰা জুই৷ কেইবাটাও গোটত বিভক্ত অসম কংগ্ৰেছে জুই নুমুৱাবলৈ সক্ষম হোৱা নাই৷ শেহতীয়াকৈ কংগ্ৰেছৰ পৰা কেইবাগৰাকী শেষাংশ ৩ পৃষ্ঠাত

## বিজেপি নেতাৰ কাণ্ড

# শিখ আৰক্ষী বিষয়াক 'খালিস্তানী' আখ্যা!

**কলকাতা, ২০ ফেব্ৰুৱাৰীঃ** ৰাজনৈতিক দলৰ নেতাৰ বিভেদকামী তথা সাম্প্ৰদায়িক মন্তব্য তথা কৰ্মকাণ্ডই সমাজত বহু দকৈ শিপাইছে৷ শেষাংশ ৩ পৃষ্ঠাত

# নলবাৰীত দিব্যাংগ পুত্ৰ-পত্নীক হত্যা কৰি পলাল বেংক বিষয়া

**ই-সংবাদ, ২০ ফেব্ৰুৱাৰীঃ** ভয়াৱহভাৱে স্খলিত হৈছে অসমৰ সামাজিক পৰিৱেশ। দয়া-মায়া, আদৰ পাহৰি তেজৰ সম্পৰ্ক থকাৰ পাছতো মানুহবোৰে জিঘাংসাৰ আশ্ৰয় লৈ হিংসা সংঘটিত কৰাৰ মনোবৃত্তি গঢ় লৈ উঠিছে। এক কথাত ক'বলৈ গ'লে অসহিষ্ণু হৈ পৰিছে সমাজৰ শেষাংশ ২ পৃষ্ঠাত



তেলেংগানাত বিজয় সংকল্প যাত্ৰাত অসমৰ মুখ্যমন্ত্ৰী, মঙলবাৰে

# 'ন্যায় যাত্ৰা'ক অমংগলীয়া আখ্যা মুখ্যমন্ত্ৰীৰ

**ই-সংবাদ, ২০ ফেব্ৰুৱাৰীঃ** ৰাহুল গান্ধীৰ ন্যায় যাত্ৰা যি ঠাইৰে গৈছে তাতেই কংগ্ৰেছ তচ-নচ হৈছে। এই দাবী কৰিছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। আজি হিমন্ত বিশ্ব শৰ্মাই কয় যে ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰা যি ঠাইৰে পাৰ হৈছে, কংগ্ৰেছ দলে তাতেই বিফল হৈছে। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে এতিয়া, উত্তৰ প্ৰদেশলৈ গৈ আছে। কিন্তু অখিলেশ যাদৱৰ সৈতে মতভেদ দেখা গৈছে। ন্যায় যাত্ৰা য'তেই যায়, কংগ্ৰেছৰ অৱস্থা তাতেই বেয়া হৈ যাব। মুখ্যমন্ত্ৰীয়ে ৰাহুল গান্ধীয়ে বহু দিন ধৰি কংগ্ৰেছৰ দুৰ্গ আমেঠি আসন হেৰুওৱা সন্দৰ্ভত মন্তব্য কৰি কয় যে গান্ধীয়ে শেষাংশ ৩ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# নলবাৰীত দিব্যাংগ পুত্ৰ-পত্নীক

একাংশ লোকে সাধাৰণ কথাতে খণ্ডত হিতাহিত জ্ঞান হেৰুৱাই বৃহৎ অঘটন সংঘটিত কৰি পেলাবলৈ কুণ্ঠাবোধ নকৰা হৈছে একাংশই৷ নলবাৰী জিলাত সংঘটিত ঘটনাই তাকেই প্ৰমাণ কৰিছে৷ নলবাৰীত জিলাত পিতৃয়ে নিজ দিব্যাংগ সন্তান আৰু পত্নীক বিহ দি হত্যা কৰাৰ ঘটনাই সমগ্ৰ ৰাজ্যত চাঞ্চল্যৰ সৃষ্টি কৰিছে৷ নলবাৰীৰ বৰসৰকুছিত নিষ্ঠুৰ পিতৃয়ে নিজ সন্তান আৰু পত্নীক বিহ দি হত্যা কৰাৰ ঘটনা পোহৰলৈ আহিছে৷ বৰসৰকুছিৰ জগদীশ হালৈয়ে এই কাণ্ড সংঘটিত কৰিছে৷ ইতিমধ্যে ঘৰৰ কোঠাৰ পৰা কবিতা হালৈ আৰু হৃষিকেশ কাশ্যপ নামৰ মাতৃ-পুত্ৰৰ মৃতদেহ উদ্ধাৰ কৰিছে নলবাৰী আৰক্ষীয়ে৷ নলবাৰী আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰাৰ লগতে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নলবাৰী শ্বহীদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে৷ জানিব পৰা মতে, হত্যাকাণ্ড সংঘটিত কৰা জগদীশ হালৈৰ ১৫ বছৰীয়া পুত্ৰ হৃষিকেশ কাশ্যপ বিশেষভাৱে সক্ষম হৈছিল। হৃষীকেশৰ সোমবাৰে আছিল ওপজা দিন। মঙলবাৰে পুৱাই জগদীশ হালৈ অন্তৰ্ধান হয়৷ আনহাতে ঘৰৰ ভিতৰৰ পৰা ওলাই অহা নাছিল পুত্ৰ আৰু পত্নী৷ কিয়নো কোঠাৰ তলা বাহিৰৰ পৰা বন্ধ কৰি থোৱাই আছিল৷ তেনে সময়তে সন্দেহ ওপজাত ঘৰৰ ভিতৰ পৰিদৰ্শন কৰাত বিচনাত দুটাকৈ নিথৰ দেহ পৰি থকা প্ৰত্যক্ষ কৰে একাংশ লোকে৷ ওপজা দিনটোতে বিহ দি নিজ পুত্ৰ আৰু পত্নীক হত্যা কৰে বুলি অভিযোগ উত্থাপন হৈছে৷ আৰক্ষীয়ে প্ৰাথমিক তদন্তত ঘটনা হত্যাকাণ্ড বুলি সন্দেহ কৰা বুলি জানিব পৰা গৈছে৷ অভিযুক্ত বেংক বিষয়া জগদীশ হালৈয়ে ঘটনাৰ পিছতে পলায়ন কৰে৷ আৰক্ষীয়ে জগদীশ হালৈক গ্ৰেপ্তাৰ কৰিবলৈ অভিযান আৰম্ভ কৰিছে৷ কবিতা হালৈ আৰু হৃষীকেশৰ মৰণোত্তৰ পৰীক্ষাৰ অন্তত সকলো তথ্য পোহৰলৈ আহিব৷

প্ৰথম পৃষ্ঠাৰ পৰা...

# সৰ্বোচ্চ আদালতৰ হস্তক্ষেপত

নিৰ্বাচিত কৰে। উল্লেখ্য যে, চণ্ডীগড়ৰ মেয়ৰ নিৰ্বাচনৰ সময়ত অনৈতিক উপায়েৰে ৮ খন বেলট নষ্ট কৰিছিল নিৰ্বাচনী বিষয়া অনিল মাছিহে। আৰু ইয়াৰ পিছতে বিজেপিৰ প্ৰাৰ্থী মনোজ সোনকাৰক বিজয়ী মেয়ৰ হিচাপে ঘোষণা কৰা হৈছিল। কিন্তু এই অনৈতিক নিৰ্বাচনৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ কাষ চাপে আম আদমী পাৰ্টীয়ে। পৰৱৰ্তী সময়ত সৰ্বোচ্চ ন্যায়ালয়ে এই গোচৰৰ শুনানি গ্ৰহণ কৰি এয়া গণতন্ত্ৰৰ হত্যা বুলি অভিহিত কৰে। মঙলবাৰে একেটা গোচৰৰ শুনানিৰ সময়ত আদালতে তদানীন্তন নিৰ্বাচনী বিষয়া অনিল মাছিহে বাতিল কৰা ৮খন বেলটক মান্যতা প্ৰদান কৰি আপ-কংগ্ৰেছৰ প্ৰাৰ্থী কুলদ্বীপ কুমাৰক মেয়ৰ হিচাপে ঘোষণা কৰে। ইয়াৰ সমান্তৰালভাৱে অনৈতিক উপায়েৰে বেলট নষ্ট কৰা অনিল মাছিহক অৱমাননাৰ বাবে কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হৈছে। উচ্চতম ন্যায়ালয়ে লগতে কয় যে এনে কৌশলৰ দ্বাৰা গণতান্ত্ৰিক প্ৰক্ৰিয়া যাতে ধ্বংস নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি আদালতৰ কৰ্তব্য নিৰ্ধাৰণ কৰা আছে, সেয়েহে আমাৰ মত যে এনে অসাধাৰণ পৰিস্থিতিত আদালতে মৌলিক গণতান্ত্ৰিক আদেশ নিশ্চিত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কয় যে সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া বাতিল কৰাটো সঠিক নহয়। বেলট নষ্ট হোৱা নাছিল। এই অনিয়মৰ বাবে দোষী প্ৰিজাইডিং অফিচাৰ অনিল মাছিহহে। তেওঁ নিজৰ কৰ্তৃত্বৰ বাহিৰত কাম কৰিছিল বুলিও মন্তব্য কৰে উচ্চতম ন্যায়ালয়ে। উল্লেখ্য যে, ১৯ ফেব্ৰুৱাৰীৰ শুনানিৰ সময়ত অনিল মাছিহে আদালতত বেলটত বিশেষ চিহ্ন লগাই নষ্ট কৰাৰ কথা স্বীকাৰ কৰিছিল। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ জে বি পাৰ্দিৱালা আৰু ন্যায়াধীশ মনোজ মিশ্ৰাৰ বিচাৰপীঠে কয় যে আবেদনকাৰীয়ে ১২টা ভোট লাভ কৰিছে। আনহাতে ৮টা ভোটক অনৈতিকভাৱে অবৈধ ঘোষণা কৰা হৈছে। পিছত এই আঠটা ভোট আবেদনকাৰীৰ সপক্ষে পোৱা গ'ল। এইদৰে আঠটা ভোট যোগ কৰিলে আবেদনকাৰীৰ হাতত ২০টা ভোট থাকে। সেয়ে আপৰ কাউন্সিলাৰ তথা আবেদনকাৰী কুলদ্বীপ কুমাৰক চণ্ডীগড় পৌৰ নিগমৰ মেয়ৰ পদত নিৰ্বাচিত ঘোষণা কৰা হয়। বিচাৰপীঠখনে কয় যে মেয়ৰ নিৰ্বাচনৰ প্ৰক্ৰিয়াত প্ৰিজাইডিং অফিচাৰে প্ৰথমে অবৈধভাৱে সালসলনি কৰিছিল। ইয়াৰ পিছত তেওঁ ১৯ ফেব্ৰুৱাৰীত আদালতৰ সন্মুখত মিছা কথা কৈছিল। ইয়াৰ পূৰ্বে ৩০ জানুৱাৰীত অনুষ্ঠিত হোৱা ভোটগ্ৰহণৰ বেলট পেপাৰ পৰীক্ষা কৰে আদালতে। ইয়াৰ পিছতে ন্যায়ালয়ে কয় যে আপৰ প্ৰাৰ্থীগৰাকীৰ সপক্ষে দিয়া ৮টা ভোটত অতিৰিক্ত নম্বৰ আছে। আদালতে জনোৱা মতে, চিহ্নিত বেলট পেপাৰ গণনা কৰা হ'ব আৰু তাৰ পিছত বিজয়ীৰ নাম ঘোষণা কৰা হ'ব। আদালতৰ মন্তব্যৰ পিছতে আম আদমী পাৰ্টিত আৰম্ভ হৈছে উদযাপন। আদালতে বিজয়ী ঘোষণা কৰাৰ পিছতে চণ্ডীগড়ৰ মেয়ৰ কুলদ্বীপ কুমাৰে উচ্চতম ন্যায়ালয়ৰ ধন্যবাদ জনায়। তেওঁ কয় যে এই জয় চণ্ডীগড়বাসী আৰু ইণ্ডিয়া মিত্ৰজোঁটৰ জয়। তেওঁ কয়, 'ইয়াৰ পৰাই বুজা যায় যে বিজেপি অজেয় নহয় আৰু আমি একত্ৰিত হৈ থাকিলে বিজেপিক পৰাভূত কৰিবলৈ সক্ষম হ'ম।' উল্লেখ্য যে, চণ্ডীগড়ৰ মেয়ৰ নিৰ্বাচনত বিজেপিৰ মনোজ সোণকাৰে ১৬টা ভোট লাভ কৰি বিজয় ঘোষিত হৈছিল। আনহাতে আম আদমি পাৰ্টি-কংগ্ৰেছৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী কুলদ্বীপ কুমাৰে লাভ কৰিছিল ১২টা ভোট। আৰু ইয়াৰ পিছতে সূত্ৰপাত ঘটিছিল বিতৰ্কৰ। প্ৰিজাইডিং অফিচাৰ অনিল মাছিহে মিত্ৰজোঁটৰ অংশীদাৰসকলৰ ৮টা ভোট অবৈধ বুলি ঘোষণা কৰে। ইয়াৰ পিছতে বেলট পেপাৰত খেলিমেলি কৰাৰ অভিযোগ উত্থাপন হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সকলোৱে গৈয়েই আছে

নেতাই আতৰি গৈছে৷ আজি শংকৰ প্ৰসাদ ৰায়ে কংগ্ৰেছ ত্যাগ কৰে৷ প্ৰাক্তন আছু নেতাগৰাকীয়ে ভূপেন বৰাক পদত্যাগ পত্ৰ প্ৰদান কৰিছে৷ তাৰ পূৰ্বে কমলাক্ষ দে পুৰকায়স্ত আৰু বসন্ত দাসে বিজেপি চৰকাৰক সমৰ্থন কৰাৰ ঘোষণা কৰাৰ পাছতে অথন্তৰ অব্যাহত আছে কংগ্ৰেছত৷ ধুবুৰী সমষ্টিৰ প্ৰাৰ্থীত্বক লৈ আব্দুছ ৰছিদ মণ্ডল, ছিদ্দিক আহমেদে অগপত যোগদানৰ হুংকাৰ দিছে৷ ইপিনে ধুবুৰী আৰু নগাঁও লোকসভা সমষ্টিক লৈ সংঘাত অব্যাহত আছে৷ মুঠতে কংগ্ৰেছৰ ভিতৰচ'ৰাত অৰাজক পৰিস্থিতি সৃষ্টি হোৱাৰ অভিযোগ উত্থাপন হৈছে৷ ৰকিবুল হুছেইনক লৈ সমস্ত বাদ-বিসম্বাদ লগাৰ লোকসভা নিৰ্বাচনত ৰকিবুল হুছেইনৰ ধুবুৰীত প্ৰাৰ্থীত্বক লৈ কংগ্ৰেছৰ মাজত বিসম্বাদৰ সূচনা হৈছে৷ ৰকিবুল হুছেইনে নগাঁৱত প্ৰদ্যুৎ বৰদলৈৰ প্ৰাৰ্থীত্ব নিবিচৰাৰ লগতে গৌৰৱ গগৈক নগাঁৱত প্ৰাৰ্থীত্ব দিয়াৰ পক্ষপাতি বুলি অভিযোগ উঠিছে৷ আনহাতে ৰকিবুল হুছেইনে নিজেই ধুবুৰী সমষ্টিত টিকট বিচাৰিছে৷ ৰকিবুল হুছেইনৰ ধুবুৰীত প্ৰাৰ্থীত্ব দিব খোজাত বৰপেটাৰ সাংসদ আব্দুল খালেক আৰু আন বিধায়কে বিৰোধিতা কৰিছে। কংগ্ৰেছৰ কেইবাগৰাকী নেতাই ৰকীবুল হুছেইনক নগাঁৱত টিকট দিলে কংগ্ৰেছ দল ত্যাগ কৰাৰ হুংকাৰ দিছে৷ সাংসদ আব্দুল খালেকে ৰকীবুল হুছেইনৰ ধুবুৰীত প্ৰাৰ্থীত্বৰ বিৰোধিতা কৰি ধুবুৰীত স্থানীয় লোকক প্ৰাৰ্থীত্ব প্ৰদানৰ দাবী জনায়। সাংসদ আব্দুল খালেকে বৰপেটা সমষ্টি তিনিটা ভাগত বিভক্ত হোৱাৰ লগতে ধুবুৰী সমষ্টিত ৭ লাখ ভোট অন্তৰ্ভুক্ত হোৱা বুলি দাবী কৰে৷ খালেকে কয় যে ধুবৰীত আজমলক ৰাইজে বিচৰা নাই৷ গতিকে স্থানীয় এজন যোগ্য ব্যক্তিক দলে টিকট দিব। প্ৰদ্যুৎ বৰদলৈৰ সৈতে একাপ চাহ খালেও কাৰণ ব্যাখ্যা কৰিব লাগিব নেকি বুলি ৰকিবুল হুছেইনক আক্ৰমণ কৰে খালেকে৷ নেতৃত্বক সকলোকে একতাৰ দোলেৰে বান্ধি ৰখাৰ আহ্বান জনায়। খালেকে নিজকে মুখ্যমন্ত্ৰীৰ মানুহ নহয় বুলি দাবী কৰে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শিখ আৰক্ষী বিষয়াক

তাৰ আকৌ এবাৰ প্ৰমাণ পোৱা গ'ল৷ আইন-শংখলা পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে যোৱা শিখ ধৰ্মাৱলম্বী আইপিএছ বিষয়াক খালিস্তানী উগ্ৰপন্থী আখ্যা দিয়াত দেশজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে৷ পাগুৰি পিন্ধা শিখ ধৰ্মাৱলম্বী উচ্চপদস্থ আৰক্ষী বিষয়াক খালিস্তানী বুলি কৈ বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছে পশ্চিমবংগ বিজেপিৰ সভাপতি শুভেন্দু অধিকাৰী। মঙলাবাৰে সন্দেশখালীৰ পৰা কলকাতালৈ উভতি অহাৰ পথত ধমখালীত আৰক্ষীৰে সৈতে বাক-বিতণ্ডাত লিপ্ত হয় একাংশ বিজেপি বিধায়ক আৰু নেতা-কৰ্মী। সেই সময়তে তাত উপস্থিত থকা বিৰোধী নেতা শুভেন্দু অধিকাৰীয়ে পাগুৰি পৰিহিত শিখ ধৰ্মাৱলম্বী আইপিএছ বিষয়া যশপ্ৰীত সিঙক উদ্দেশ্যি 'খালিস্তানী' শব্দ ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন হৈছে। এই অভিযোগৰ প্ৰত্যুত্তৰ দি শুভেন্দু অধিকাৰীয়ে এক্স হেণ্ডেলযোগে প্ৰমাণ দাবী কৰাৰ পিছতে শাসকীয় তৃণমূল কংগ্ৰেছেও প্ৰতি-প্ৰত্যুত্তৰ দি পোষ্ট কৰে এটা ভিডিঅ', য'ত উপস্থিত লোকসকলৰ মাজৰ কোনোজনে আৰক্ষী বিষয়াগৰাকীক উদ্দেশ্যি খালিস্তানী বুলি কোৱা শুনা যায়। তৃণমূল কংগ্ৰেছে এই ভিডিঅ'টো পোষ্ট কৰি দাবী কৰে যে তাত শুনা মাতটো খোদ শুভেন্দু অধিকাৰীৰ। ইফালে এই সমগ্ৰ ঘটনাৰ পিছতে ৰাজ্যিক আৰক্ষীৰ এডিজি সুপ্ৰতীম সৰকাৰেও এক সংবাদমেল সম্বোধন কৰি এই সন্দৰ্ভত আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জনায়। অৱশ্যে কাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব সেই কথা স্পষ্ট কৰা নাই আৰক্ষী বিষয়াগৰাকীয়ে। উল্লেখ্য যে, বিৰোধী দলপতি শুভেন্দু অধিকাৰীৰ নেতৃত্বত বিজেপিৰ কেইবাজনো বিধায়কে মঙলবাৰে সন্দেশখালীলৈ যায়। ধমাখালী অঞ্চলত বেৰিকেড সাজি সমৰ্থকক অৱৰোধ কৰে আৰক্ষীয়ে। সেই সময়ত বিজেপিৰ বিধায়ক আৰু কৰ্মী-সমৰ্থকসকলে আৰক্ষীৰ লগত সংঘাতত লিপ্ত হয়। অভিযোগ অনুসৰি, সেই সময়তে পাগুৰি পৰিধান কৰা আইপিএছ বিষয়া যশপ্ৰীতৰ প্ৰতি বিজেপি নেতৃত্বই 'খালিস্তানী' বুলি মন্তব্য কৰে। ইয়াক লৈ যশপ্ৰীতেও ক্ষোভ প্ৰকাশ কৰা দেখা যায়। তেওঁ কয়, 'পাগুৰি পিন্ধি থকাৰ বাবেই মই খালিস্তানী? মই ইয়াৰ বিৰুদ্ধে ব্যৱস্থা লম।' এই বিতৰ্কৰ সূত্ৰপাত ঘটাৰ পিছতে অধিকাৰীয়ে ২৪ ঘণ্টাৰ ভিতৰত কোনজন বিজেপি নেতাই খালিস্তানীৰ মন্তব্য কৰিছিল সেয়া প্ৰমাণ কৰিবলৈ প্ৰত্যাহ্বান জনায় তৃণমূল কংগ্ৰেছক। অন্যথা আইনী ব্যৱস্থা গ্ৰহণৰো হুংকাৰ দিয়ে। তাৰ পাছতে শাসকীয় দলটোৱে পোষ্ট কৰে ভিডিঅ'টো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ন্যায় যাত্ৰাক অমংগলীয়া

ৰাইজক সেৱা কৰা নাছিল৷ সেয়েহে ৰাইজে ভোট দিয়া নাছিল। আমেঠিত প্ৰতিদ্বন্দ্বিতা কৰাৰ ৰাহুল গান্ধীৰ সিদ্ধান্তক লৈ জয়ৰাম ৰমেশে দিয়া এটা পোষ্টৰ উত্তৰ দি মুখ্যমন্ত্ৰীয়ে কয় যে মোৰ অন্তৰৰ পৰা ক'বলৈ গ'লে, মানুহে ভুল নকৰে৷ আমি ৰাজনীতি বিদসকলে ভুল কৰো। আমেঠিৰ মানুহে কোনো ভুল কৰা নাছিল৷ তথাকথিত নেতাজনে তেওঁলোকক ভালদৰে সেৱা আগবঢ়োৱা নাছিল৷ নেতাসকলে নিজকে সংস্কাৰ কৰে আৰু অতীতৰ ভুলৰ বাবে ক্ষমা বিচাৰি পুনৰ নম্ৰতাৰে ভোটাৰৰ সন্মুখলৈ আহে। কেতিয়াবা মানুহে ক্ষমা কৰে, কেতিয়াবা নকৰে। ৰাজনীতি হৈছে নম্ৰতাৰ বিষয়ে, অহংকাৰৰ বিষয়ে নহয় বুলিও কয় হিমন্ত বিশ্ব শৰ্মাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰাঘৰত দিন কটাইছে প্ৰাক্তন

কিন্তু তাহানিৰ জনপ্ৰতিনিধিৰ নেতা পৰম্পৰা নাছিল। তাহানিৰ নেতাৰ অৱস্থা তথৈবচ আছিল। জমা ধন নাছিল। গুৱাহাটীত মাটি-ঘৰ নাছিল। বহুতে জনপ্ৰতিনিধি হৈ চৰকাৰী আৱাসত আছিল। দুৰ্নীতি কৰা নাছিল। নিৰ্বাচনত পৰাজিত হ'লে ঘৰলৈ গুছি গৈ সাধাৰণভাৱে জীৱন নিৰ্বাহ কৰিছিল। তেনে এগৰাকী নেতা হৈছে মূল্যবোধৰ ৰাজনীতি কৰা ৰমণী বৰ্মন। প্ৰাক্তন মন্ত্ৰী হৈও ৰমণী বৰ্মনৰ জমা ধন নাই। এটা ঘৰ নাই। জীৱনৰ বিয়লি বেলাত ভাৰাঘৰৰ কোঠাত সাধাৰণ লোকৰ দৰেই বিচনাত দিন কটাইছে বৰ্মনে। ১৯৭৮ চনৰ জনতা পাৰ্টিৰ গোলাপ বৰবৰা নেতৃত্বাধীন অসম চৰকাৰৰ শিক্ষা আৰু গৃহ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী আছিল। নলবাৰী মহাবিদ্যালয়ৰ অধ্যাপক আছিল অধ্যাপক ৰমণী বৰ্মন। প্ৰজ্ঞাৰ সাধক ৰমণী বৰ্মনৰ ভাৰাঘৰেই এতিয়া শেষ ঠিকনা। ভাৰাঘৰৰ বিচনাত শয্যাগত হৈ নিৰবে মৃত্যুৰ ক্ষণ গণিছে। সমাজবাদী ৰাজনীতিকগৰাকীয়ে অসমখনক বহু দিছে। জনতাৰ হকে আন্দোল কৰিছিল। কিন্তু নিজৰ বাবে একোকে আহৰণ নকৰিলে। একালৰ শিক্ষাবিদ তথা শিক্ষামন্ত্ৰীগৰাকী যেন এতিয়া নিসংগ। কাৰোৰে খবৰ এটা লবলৈ আহৰি নাই। নলবাৰীৰ এটি ভাৰাঘৰত নিৰৱে নিশব্দে শয্যাগত হৈ থকা বৰ্ষীয়ান ৰাজনীতিবিদগৰাকী গুৰুতৰভাৱে অসুস্থ। প্ৰাক্তন শিক্ষামন্ত্ৰী ৰমণী বৰ্মনৰ পত্নী-পুত্ৰৰ মৃত্যু হৈছে। সাতাশী বছৰীয়া ৰাজনীতিকগৰাকীয়ে নলবাৰীৰ ভাৰাঘৰৰ বিচনাত মাত্ৰ শ্বাস-প্ৰশ্বাস লৈ জী আছে। মাতবোল নাই, কাকো চিনি নাপায়। কোঠাটোৰ বিছনাখনত মাত্ৰ শ্বাস-প্ৰশ্বাস লৈ থকাৰ শব্দ। সমাজৰ হকে কাম কৰা ৰমণী বৰ্মনে নাজানে পৃথিৱীখনত এতিয়া কি হৈ আছে। ১৯৭৬ চনৰ ৬ ডিচেম্বৰত পিতৃৰ মৃত্যুৰ দিনা মুখাগ্নি কৰিবলৈ নলবাৰী জেইলৰ পৰা এঘণ্টাৰ বাবে ৰাজহুৱা শ্মশানলৈ আহিছিল ৰমণী বৰ্মন। পাছত পুত্ৰই পৰিচৰ্যা কৰি আছে বৰ্মনক। এগৰাকী সফল ট্ৰেড ইউনিয়নৰ নেতা ৰমণী বৰ্মনে সদায় বাক-স্বাধীনতাৰ পক্ষত এক অতন্দ্ৰ প্ৰহৰীৰ ৰূপত থিয় দি আহিছে। সততা আৰু সংগ্ৰামৰ ৰাজনীতি কৰা ৰমণী বৰ্মন সেই প্ৰজন্মৰ শেষৰগৰাকী প্ৰতিনিধি। শেহতীয়াকৈ শ্বহীদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ৰ স্থানান্তৰৰ বিৰুদ্ধে প্ৰতিবাদী আন্দোলন কৰা বৰ্ষীয়ান ৰাজনীতিক ৰমণী বৰ্মনৰ এনে অৱস্থা দেখি ব্যথিত নলবাৰীৰ বিদ্বত মহল। হৃদয়ৰ সংলাপ নামৰ আত্মজীৱনীত বহু কথা লিপিবদ্ধ কৰা ৰমণী বৰ্মনলৈ এইবেলি আগবঢ়োৱা হৈছে জীৱন শিল্পী আদ্য শৰ্মা বঁটা। নলবাৰী আৰ্ট স্কুলে প্ৰদান কৰিব এই বঁটা। ২২ ফেব্ৰুৱাৰীত আনুষ্ঠানিক ভাৱে প্ৰদান কৰা হ'ব এই বঁটা।

# বিজেপিৰ আশাত চেঁচাপানী ঢালি কংগ্ৰেছৰ গুৰুত্বপূৰ্ণ বৈঠকত প্ৰাক্তন মুখ্যমন্ত্ৰী কমল নাথ

**ই সংবাদ, ২০ফেব্ৰুৱাৰীঃ** বিজেপিত যোগদানক লৈ জল্পনা-কল্পনা অব্যাহত থকাৰ সময়তে কংগ্ৰেছৰ বৈঠকত যোগদান কৰিলে মধ্যপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কমল নাথে। ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰা মধ্যপ্ৰদেশত সফল কৰি তোলাৰ উদ্দেশ্যৰে মঙলবাৰে ভূপালত এখন বৈঠক অনুষ্ঠিত কৰে প্ৰদেশ কংগ্ৰেছে। এই বৈঠকতে দিল্লীৰ পৰা ভিডিঅ' কনফাৰেন্সযোগে যোগদান কৰে প্ৰাক্তন মুখ্যমন্ত্ৰী কমল নাথেও। এআইচিচিৰ এক সূত্ৰৰ মতে, সেই বৈঠকত কংগ্ৰেছৰ জ্যেষ্ঠ নেতাগৰাকীয়ে কংগ্ৰেছৰ নেতা-কৰ্মীসকলক ঐক্যবদ্ধভাৱে কাম কৰি ৰাহুল গান্ধীৰ যাত্ৰা সফল কৰিবলৈ আহ্বানজনায়। উল্লেখ্য যে, শেহতীয়াকৈ কমল নাথ আৰু তেওঁৰ পুত্ৰ তথা সাংসদ নকুল নাথে কংগ্ৰেছ এৰি বিজেপিত যোগদান কৰিব বুলি চৰ্চা তীব্ৰতৰ হৈ পৰিছিল। ২০১৯ চনৰ লোকসভা নিৰ্বাচনত মধ্যপ্ৰদেশৰ পৰা জয়লাভ কৰা কংগ্ৰেছৰ একমাত্ৰ সাংসদ নকুল নাথে তেওঁৰ ছ'চিয়েল মিডিয়া হেণ্ডেলৰ পৰা কংগ্ৰেছৰ টেগ আঁতৰোৱাৰ পিছতে আৰম্ভ হৈছিল এই জল্পনা-কল্পনাৰ। আনহাতে তাৰ পিছতে কমল নাথৰ দিল্লীস্থ বাসভৱনত হঠাৎ কেন্দ্ৰীয় নিৰাপত্তাৰক্ষী বৃদ্ধি পোৱাত আৰু তেওঁৰ ঘৰৰ চাদত 'জয় শ্ৰী ৰাম' লিখা গেৰুৱা নিচান উৰিবলৈ ধৰাত এই চৰ্চা অধিক তীব্ৰতৰ হৈ পৰে। অৱশ্যে সোমবাৰে পুৱাৰ পৰা কমল নাথৰ বাসভৱনত উৰি থকা গেৰুৱা পতাকা দুপৰীয়া নমাই দিয়াত তাৰ পিছত কিছু স্বস্তিৰ নিশ্বাস এৰিছে মধ্যপ্ৰদেশ কংগ্ৰেছে। মন কৰিবলগীয়া যে, দিল্লীৰ চৌৰাশীৰ শিখ হিংসাৰ তদন্তৰ বাবে গঠন কৰা 'এছআইটি'ৰ পৰা কমল নাথৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ প্ৰতিবেদন বিচাৰিছে দিল্লী উচ্চ ন্যায়ালয়ে। এপ্ৰিল মাহৰ ভিতৰত এই প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। একে সময়তে কমল নাথৰ ভতিজা ৰাতুল পুৰী আৰু কেইবাজনো আত্মীয় আৰু ঘনিষ্ঠ বন্ধুৰ বিৰুদ্ধে বেংক জালিয়াতি আৰু আৰ্থিক আত্মসাৎৰ অভিযোগত চিবিআই, ইডিৰ তদন্ত অব্যাহত আছে। এনে পৰিপ্ৰেক্ষিততে কংগ্ৰেছৰ এক সূত্ৰই দাবী কৰিছে যে কমল নাথ আৰু তেওঁৰ পুত্ৰ নকুল নাথৰ ওপৰতো তদন্তকাৰী সংস্থাৰ ভয়-ভাবুকি দেখুৱাই দলত্যাগৰ হেঁচা প্ৰয়োগ কৰিছে বিজেপিয়ে।

## অনুপমা, দিয়া ঔৰ বাতি হামৰ দৰে জনপ্ৰিয় টিভি চিৰিয়েলৰ চিনাকি মুখ

# অভিনেতা ঋতুৰাজ সিঙৰ দেহাৱসান



**ই সংবাদ, ২০ফেব্ৰুৱাৰীঃ** হৃদৰোগত আক্ৰান্ত হৈ ৫৯ বছৰ বয়সতে বিদায় মাগিলে বলিউডৰ আন এগৰাকী জনপ্ৰিয় অভিনেতাই। টিভি আৰু চিনেমাৰ জনপ্ৰিয় অভিনেতা ঋতুৰাজ সিঙৰ সোমবাৰে নিশা প্ৰায় ১২.৩০ বজাত নিজ বাসগৃহতে হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু ঘটে।

উল্লেখ্য যে, অনুপমা, দিয়া ঔৰ বাতি হামৰ দৰে জনপ্ৰিয় টিভি চিৰিয়েলৰ লগতে বদ্ৰীনাথ কি দুলহানিয়া, বেণ্ডিছ বেণ্ডিটছৰ দৰে চিনেমাতো অভিনয় কৰি দৰ্শকৰ মাজত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল ঋতুৰাজ সিঙে। ইয়াৰোপৰি শেহতীয়াকৈ তেওঁ কেইবাটাও অ'টিটি শ্ব'তো অভিনয় ।কৰিছিল। তেওঁৰ পৰিয়ালৰ লোকে জনোৱা মতে, পেটৰ কিছু সমস্যাৰ বাবে কিছুদিন পূৰ্বে তেওঁক হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। হাস্পতালৰ পৰা ডিচচাৰ্জ লৈ ওলাই অহাৰ কেইদিনমানৰ পিছতে হৃদৰোগত আক্ৰান্ত হৈ তেওঁৰ মৃত্যু ঘটে

# কোকৰাঝাৰত সুদখোৰ আটক

**ই-সংবাদ, কোকৰাঝাৰ, ২০ ফেব্ৰুৱাৰীঃ** ৰাজ্যত সুদখোৰৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত থকাৰ সময়তে কোকৰাঝাৰতো আৰক্ষীয়ে সুদখোৰক বিচাৰি অভিযান আৰম্ভ কৰিছে। এনে অভিযানৰ অংশস্বৰূপে আজি কোকৰাঝাৰ আৰক্ষীয়ে ৰুবুল আলী নামৰ সুদখোৰ এজনক আটক কৰে। কোকৰাঝাৰ চহৰৰ সমীপৰৰ্তী ভদেয়াগুৰিৰ পৰা সুদখোৰ ৰুবুল আলীক আটক কৰিছে আৰক্ষীয়ে। সুদখোৰ ৰুবুল আলীৰ পৰা আৰক্ষীয়ে সুদৰ টকাৰ লেনদেনৰ বাবে ব্যৱহাৰ কৰা পাছবুক আৰু পঞ্জীয়ন বহী উদ্ধাৰ কৰিছে। ধৃত ৰুবুল আলীৰ বিৰুদ্ধে কোকৰাঝাৰ সদৰ থানাত কোকৰাঝাৰ সদৰ থানাতইতিমধ্যে ৩৮/২৪ নম্বৰৰ এটা গোচৰ পঞ্জীয়নভুক্ত কৰি সোধ-পোছ অব্যাহত ৰাখিছে । আজি বিয়লি স্বাস্থ্য পৰীক্ষা কৰোৱাৰ পিছত সুদখোৰ ৰুবুল আলীক কোকৰাঝাৰ আদালতত হাজিৰ কৰোৱা হৈছে বুলি জানিব পৰা গৈছে।

# পঞ্জাৱৰ বাহিৰে দেশৰ আন সকলো সমষ্টিত 'ইণ্ডিয়া' মিত্ৰজোঁটত থাকিব আপ




**নতুন দিল্লী, ২০ ফেব্ৰুৱাৰীঃ** ইণ্ডিয়া মিত্ৰজোঁটৰ সপক্ষে উচ্চমত ন্যায়ালয়ে গুৰুত্বপূৰ্ণ ৰায়দানৰ পাছতে হৰ্ষোল্লাস দেখা গৈছে আপ আৰু কংগ্ৰেছ সমৰ্থকসকলৰ মাজত। চণ্ডীগড়ৰ মেয়ৰ পদৰ প্ৰাৰ্থীক জয়ী ঘোষণাৰ পাছতে বেছিকৈ উৎসাহী হৈছে আপ দল৷ উচ্চতম ন্যায়ালয়ে প্ৰিজাইডিং বিষয়াই বেলট পেপাৰ নষ্ট কৰা কাৰ্য্যক তীব্ৰ গৰিহণা জনাইছিল আৰু এয়া গণতন্ত্ৰৰ হত্যা বুলি অভিহিত কৰিছে আপ আৰু কংগ্ৰেছে। মঙলবাৰে শুনানিত আদালতে বাতিল কৰা ৮ খন বেলট পেপাৰক মান্যতা প্ৰদান কৰি আপ-কংগ্ৰেছৰ প্ৰাৰ্থী কুলদীপ কুমাৰক চণ্ডীগড়ৰ পৰৱৰ্তী মেয়ৰ ঘোষণা কৰে। উচ্চতম ন্যায়ালয়ৰ ধন্যবাদ জনাই বিজেপিৰ বিৰুদ্ধে আক্ৰমণাত্মক ৰূপ ধাৰণ কৰা দেখা গ'ল দিল্লীৰ মুখ্যমন্ত্ৰী তথা আপৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালক। কেজৰিৱালে বিজেপিক তীব্ৰ সমালোচনা কৰি 'ইণ্ডিয়া' মিত্ৰজোঁটৰ বাবে এয়া একবৃহৎ জয় বুলি অভিহিত কৰে। কেজৰিৱালে কয় যে এয়া ইণ্ডিয়া মিত্ৰজোঁটৰ প্ৰথমটো জয় আৰু ইয়াৰ অৰ্থ বৃহৎ। তেওঁ কয়, 'ইণ্ডিয়া মিত্ৰজোঁটৰ প্ৰাৰ্থীক অনৈতিকভাৱে পৰাজিত ঘোষণা কৰা হৈছিল আৰু বিজেপিৰ প্ৰাৰ্থীক বিজয়ী ঘোষণা কৰা হৈছিল।' দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে তেওঁলোকে নিৰ্বাচন চুৰি কৰিছিল, আমি কাঢ়ি লৈছো। তেওঁ কয় যে আমি হাৰ নামানি শেষ মুহূৰ্তলৈকে সংগ্ৰাম কৰি থাকিলোঁ। সমগ্ৰ দেশৰ লগতে ইণ্ডিয়া মিত্ৰজোঁটৰ বাবে এয়া এক বৃহৎ বিজয়। কেজৰিৱালে কয়, "এই নিৰ্বাচনত মুঠ ৩৬টা ভোটদান কৰা হৈছিল। চণ্ডীগড়ৰ মেয়ৰৰ নিৰ্বাচনৰ গণনাত বিজেপিৰ লোকে ৮টা ভোট চুৰি কৰিছিল।" ৩৬টা ভোটৰ পৰা ৮টা ভোট অনৈতিকভাৱে চুৰি কৰি ক্ষমতা কুক্ষিগত কৰাৰ অপচেষ্টা চলোৱা বিজেপিয়ে ৯০ কোটি ভোটদান সম্পন্ন হ'বলগীয়া আগন্তুক লোকসভা নিৰ্বাচনত কিমান ভোট চুৰি কৰিব পাৰে তাক লৈও আশংকা ব্যক্তকৰে কেজৰিৱালে। আপৰ আহ্বায়কগৰাকীয়ে কয়, "কেইদিনমানৰ পিছতে দেশৰ নিৰ্বাচন অনুষ্ঠিত হ'ব, ইয়াত ৯০ কোটি ভোট আছে। ভাৱি চাওকচোন ইয়াৰ কিমানখিনি তেওঁলোকে চুৰি কৰিব পাৰে।" বিজেপিৰ ওপৰত চোকা আক্ৰমণ কৰি তেওঁ কয় যে এতিয়ালৈকে আমি শুনিছিলোঁ বিজেপিৰ মানুহে দুষ্টামি আৰু অসৎ কাম কৰে, কিন্তু আমাৰ হাতত কোনো প্ৰমাণ নাছিল। কিন্তু আজি প্ৰমাণ আদালতৰ সন্মুখলৈ আহিল আৰু বিজেপিৰ কু অভিপ্ৰায় হাতে-লোটে ধৰা পৰিল। অৰবিন্দ কেজৰিৱালে কয় যে বিজেপিক পৰাস্ত কৰিব নোৱাৰি বুলি কোৱাসকলৰ বাবে এয়া এক ডাঙৰ সংকেত যে ঐক্য আৰু কঠোৰ পৰিশ্ৰমেৰে বিজেপিক পৰাস্ত কৰিব পাৰি। কেজৰিৱালে কয় যে উচ্চতম ন্যায়ালয়ে বিষয়টো শীঘ্ৰে শুনানি গ্ৰহণ কৰি আজি ফলাফল ঘোষণা কৰে, ভাৰতৰ ইতিহাসত প্ৰথমবাৰৰ বাবে এনেকুৱা হৈছে। আমি উচ্চতম ন্যায়ালয়ক অশেষ ধন্যবাদ জনাইছো। লগতে বিজেপিক লক্ষ্য কৰি তেওঁ কয় যে সকলো প্ৰতিষ্ঠানকে ধ্বংস কৰি পেলোৱা হৈছে, এনে পৰিস্থিতিত উচ্চতম ন্যায়ালয়ৰ এই সিদ্ধান্ত অতি তাৎপৰ্যপূৰ্ণ। ইফালে পঞ্জাৱত ইণ্ডিয়া মিত্ৰজোঁটৰ ভৱিষ্যত সন্দৰ্ভত কেজৰিৱালে কয় যে যিকোনো দেশৰ কোনো দলে যদি স্পষ্টকৈ ক'বলৈ আৰম্ভ কৰে যে আমাক ভোটৰ প্ৰয়োজন নাই, তেন্তে সেয়া গণতন্ত্ৰৰ বাবে এক ডাঙৰ ভাবুকি। তেওঁ অভিযোগ কৰে যে এইসকল লোক যে নিৰ্বাচনত জয়ী নহয়, নিৰ্বাচন চুৰি কৰে সেয়া স্পষ্ট। কেজৰিৱালে স্পষ্ট কৰি দিয়ে যে পঞ্জাৱত ইণ্ডিয়া ঐক্যৰ সৈতে মিত্ৰতা নাই, কিন্তু বাকী সকলো ঠাইতে ইণ্ডিয়া মিত্ৰজোঁটৰ সৈতে লগলাগি নিৰ্বাচন খেলাৰ ইংগিত দিয়ে কেজৰিৱালে৷

# মাজুলীৰ ভকত চাপৰিত গঁড়ৰ আক্ৰমণত নিহত এজন

**মাজুলী, ২০ ফেব্ৰুৱাৰীঃ** মাজুলীৰ ভকত চাপৰিত গঁড়ৰ আক্ৰমণত এজন লোক নিহত হোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। গঁড়ৰ আক্ৰমণত ভকতচাপৰি ১নং পদুমনি গাঁৱৰ পদ্মধৰ ভেৰুৱা (৫৪) নিহত হয়। পুৱা প্ৰায় ৫-৩০ বজাত পদ্মধৰ ভেৰুৱাই নদীত গা ধুই ঘৰলৈ আহি থকা এঘৰ লোকৰ চোঁতালত গঁড়ে আক্ৰমণ কৰি হত্যা কৰে ভেৰুৱাক। গঁড়টোৱে লোকজনৰ শৰীৰৰ বিভিন্ন ঠাইত আক্ৰমণ কৰাত থিতাতে লোকজনৰ মৃত্যু হয়। গঁড়ৰ আক্ৰমণত মৃত্যুক আঁকোৱালি লোৱা ভকতচাপৰি ১নং পদুমনি গাঁৱৰ পদ্মধৰ ভেৰুৱা ঘৰখনৰ লগতে অঞ্চলটোত শোকৰ ছাঁ পৰিছে। পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী আছিল ভেৰুৱা। দিন হাজিৰা কৰি পৰিয়াল পোহপাল দিয়া ভেৰুৱাৰ মৃত্যুত হাহাকাৰ লাগিছে। দুটা শিশু সন্তান আৰু মানসিক হেৰুওৱা পত্নীৰ লগতে আত্মীয়ক শীঘ্ৰে সাহায্য প্ৰদানৰ দাবী জনাইছেৰাইজে। বন বিভাগৰ অকৰ্মণ্য আৰু চূড়ান্ত হেমাহিৰ বাবে এই ঘটনা সংঘটিত হোৱাত ক্ষোভ প্ৰকাশ কৰি বনবিভাগৰ বিৰুদ্ধে জাড়ুৰ খাই উঠে ৰাইজ। বন বিভাগক খবৰ দিয়াৰ পাছতো বহু পলমকৈ বন বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত নোহোৱাত স্থানীয় ৰাইজে মৃতদেহ নিবলৈ দিয়া নাছিল। ঘটনাস্থলীত মাজুলী ৰাজহ চক্ৰ বিষয়া জয়দ্বীপ ৰজক আৰু মাজুলী আৰক্ষী উপস্থিত হৈ ৰাইজক বুজনি দিয়া চেষ্টা কৰে। বন বিষয়া উপস্থিত হৈ দীৰ্ঘদিনে ভকতচাপৰি অঞ্চলত হাতী আৰু গঁড়ে সন্ত্ৰাস চলাই থকাৰ পাছতো নিৰাপত্তা প্ৰদান নকৰা পৰ্যন্ত ৰাইজ কোনো কাৰণতে মান্তি নহয় বুলি বিষয়াক ঘেৰাও কৰি ৰাখে। ঘটনাস্থলীত পলমকৈ উপস্থিত হোৱা জিলা বন বিষয়া আৰু ৰেঞ্জাৰকো ঘেৰাও কৰি স্থানীয় ৰাইজে জবাবদিহি কৰে। ভকত চাপৰি অঞ্চলত এটা বছৰে গঁড়ে সন্ত্ৰাস চলাই থকাৰ পাছতো গুৰুত্ব দিয়া নাই বনবিভাগটোৱে। গঁড় সন্ত্ৰাসৰ পৰা নিৰাপত্তা প্ৰদানৰ দাবী জনায় কাৰ্যালয়ত গৈ আবেদন দিয়াৰ পাছতো বন বিভাগে কোনো প্ৰদক্ষেপ গ্ৰহণ নকৰাত ক্ষোভ উজাৰে। উল্লেখ্য যে, এই পৰ্যন্ত মাজুলীৰ ভকতচাপৰিত গঁড়ৰ আক্ৰমণত তিনিজনকৈ লোক নিহত হৈছে। তথাপিও মাজুলীৰ বন বিভাগৰ গা লৰা নাই। ভকত চাপৰিত বনৰীয়া হাতী, গঁড় প্ৰত্যক্ষ কৰি মাজুলীৰ বন বিভাগৰ লোকক খবৰ দিয়া হয় যদিও বহু পলমকৈ উপস্থিত হয় বন বিভাগৰ লোক। নিশা কোনো পহৰা নিদিয়াৰ ব্যৱস্থা কৰা নহয়। বন বিভাগৰ লোকে মদ, মাংসৰে ভোজ খাই ৰাইজক কোনো সুৰক্ষা নিদি অঞ্চলটোৰ পৰা আঁতৰি যোৱাৰহে অভিযোগ তোলে। উত্তেজিত ৰাইজক ক্ষান্ত কৰিবলৈ ৰাজহ চক্ৰ বিষয়া জয়দ্বীপ ৰজক আৰু বন বিষয়াই গাঁওৰক্ষী বাহিনী, বনবিভাগে মিলি পহৰাৰ ব্যৱস্থা কৰাৰ লগতে প্ৰয়োজনীয় টৰ্ছ লাইট দিয়াৰ ঘোষণা কৰে। আজি এটা বছৰে গঁড়, হাতীয়ে মাজুলীৰ শিকলি চাপৰি, কাঠনী চাপৰি, ভেকেলি চাপৰি, ভকত চাপৰি, নামনি মাজুলীৰ কাৰি চাপৰিকে আদি কৰি চৰ চাপৰি অঞ্চলত সন্ত্ৰাস চলাই আহিছে।

# ডাম্পাৰৰ খুন্দাত নিহত বিশিষ্ট সাঁতোৰবিদ

**ই সংবাদ, ২০ফেব্ৰুৱাৰীঃ** ৰাজ্যত ডাম্পাৰৰ সন্ত্ৰাস অব্যাহত আছে। প্ৰতিটো দিনতে ৰাজ্যৰ কোনোবা নহয় কোনোবা প্ৰান্তত ডাম্পাৰৰ খুন্দাত প্ৰাণ যায় সাধাৰণ লোকৰ। ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, খেতিয়ক কোনেও ডাম্পাৰৰ ৰক্ষা পোৱা নাই। তাৰ মাজতে এইবাৰ ডাম্পাৰৰ খুন্দাত প্ৰাণ গৈছে উদিয়মান সাঁতোৰবিদৰ। গুৱাহাটী মহানগৰীৰ সমীপতে ডাম্পাৰৰ খুন্দাত এগৰাকী উদিয়মান সাঁতুৰিবদে প্ৰাণ হেৰুওৱাত ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। এই ঘটনা সংঘটিত হৈছে গুৱাহাটী মহানগৰীৰ সমীপৰ উত্তৰ গুৱাহাটীত। ভয়ংকৰ পথ দুৰ্ঘটনাত পতিত হৈ তিনিদিন ধৰি হাস্পতালত চিকিৎসাধীন হৈ থাকি মৃত্যুক সাৱটি লয় অসমৰ এগৰাকী ৰাষ্ট্ৰীয়পৰ্যায়ৰ সাঁতোৰবিদৰ।



গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈথাকি মঙলবাৰে মৃত্যুক আকোৱালি লয় সাঁতোৰবিদ হেমন্ত দাসে। ১৭ ফেব্ৰুৱাৰীত সংঘটিত দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈবিগত তিনিদিন

ধৰি চিকিৎসাধীন হৈ আছিল হেমন্ত দাসে। উল্লেখ্য যে, ১৭ ফেব্ৰুৱাৰীত উত্তৰ গুৱাহাটীৰ শিলসাঁকোত এখন তীব্ৰবেগী ডাম্পাৰে নেনোত খুন্দা মাৰিছিল। ফলত গুৰুতৰভাৱে আহত হৈছিল হেমন্ত দাস। গুৱাহাটীৰ ৰজাদুৱাৰৰ নিৱাসী সাঁতোৰবিদগৰাকীক লগে লগে জিএমচিএইছত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসাধীন অৱস্থাতে আজি তেওঁৰ মৃত্যু হয়। কেইবাখনো সাঁতোৰ প্ৰতিযোগিতাত ৰাষ্ট্ৰীয় পৰ্যায়ত অসমক প্ৰতিনিধিত্ব কৰা সাঁতোৰবিদ হেমন্ত দাসে। ইপিনে অভিযোগ মতে, উত্তৰ গুৱাহাটীত ডাম্পাৰৰ সন্ত্ৰাস অব্যাহত আছে। ডাম্পাৰৰ ফলত একাংশ এলেকাত মানুহ ঘৰৰ পৰা ওলাব নোৱাৰা হৈ পৰিছে। তাৰ পাছতো চকু মুদা কুলিৰ ভাও ধৰি আহিছে।

শেষ পৃষ্ঠা

# ছামি, সূৰ্যকুমাৰ, চাহাললৈ ক্ৰিকইফো বঁটা

**ডুবাই, ২০ ফেব্ৰুৱাৰীঃ** ক্ৰিকেট সম্পৰ্কীয় সংবাদ সংস্থা ক্ৰিকইফোই প্ৰদান কৰা বৰ্ষশ্ৰেষ্ঠ বঁটাৰ তালিকাত তিনিজন ভাৰতীয়ই স্থান লাভ কৰিছে। তেওঁলোক হ'ল মহম্মদ ছামি, সূৰ্যকুমাৰ যাদব আৰু যুজৱেন্দ্ৰ চাহাল। বিশ্বকাপ ক্ৰিকেটত নিউজিলেণ্ডৰ বিৰুদ্ধে ৫৭ ৰানত পাঁচটা উইকেট দখল কৰা ছামিৰ স্পেলটো এদিনীয়াৰ শ্ৰেষ্ঠ বলিঙৰ বঁটা লাভ কৰিছে। টি-২০ ত শ্ৰীলংকাৰ বিৰুদ্ধে সূৰ্যকুমাৰে কৰা ১১২ ৰানৰ ইনিংছটো ক্ৰিকেটৰ ক্ষুদ্ৰ সংস্কৰণটোৰ শ্ৰেষ্ঠ বেটিং বিবেচিত হৈছে। ইফালে চাহালে ফ্ৰেন্সাইজি ক্ৰিকেটত শ্ৰেষ্ঠ বলিং প্ৰদৰ্শনৰ বাবে বঁটা লাভ কৰিছে। তেওঁ যোৱা বৰ্ষৰ আই পি এলত ৰাজস্থান ৰয়েলছৰ হৈ ছানৰাইজাৰ্চ হায়দৰাবাদৰ বিৰুদ্ধে ২৯ ৰানত চাৰিটা উইকেট লাভ কৰিছিল।





বেইজিঙত বৰফ পৰিছে, পুত্ৰ-কন্যাৰ সৈতে ফটো উঠিছে মাতৃয়ে

# বিশ্ব টেবুল টেনিছত ভাৰতৰ জয়

**বুছান, ২০ ফেব্ৰুৱাৰীঃ** বিশ্ব টেবুল টেনিছ চেম্পিয়নশ্বিপৰ পুৰুষ মহিলা উভয় শাখাতে আজি ভাৰতীয় দলে জয়লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰথমে মহিলা দলটোৱে স্পেইনক ৩-২ গেমৰ ব্যৱধানত পৰাজিত কৰে। প্ৰতিযোগিতাৰ গুৰুত্বপূৰ্ণ খেলত ভাৰতে স্পেইনৰ বিৰুদ্ধে প্ৰথম দুখন মেছত পৰাজিত হোৱাৰ পিছত সুন্দৰভাৱে প্ৰত্যাৱৰ্তন ঘটাই জয়লাভ কৰিবলৈ সক্ষম হয়। ভাৰতৰ হৈ প্ৰথমখন মেছত জয়লাভ কৰে আইহিকা মুখাৰ্জীয়ে। ইয়াৰ পাছত পূৰ্বৰ দুখন মেছত পৰাজয় স্বীকাৰ কৰা শ্ৰীজা অকুলা আৰু মনিকা বাত্ৰাই জয়লাভ কৰি স্পেইনক পৰাস্ত কৰে। পাঁচখন খেলৰ মাৰাথান প্ৰতিদ্বন্দ্বিতাৰ অন্তত জয়ী হোৱা ভাৰতীয় দলটো নক-আউট ৰাউণ্ডত স্থান লাভ কৰাৰ অধিক সম্ভাৱনা জগাই তুলিছে। ইফালে পুৰুষৰ শাখাত ভাৰতীয় দলে নিউজিলেণ্ডক পোনপটীয়াভাৱে ৩-০ ব্যৱধানত হৰুৱাবলৈ সমৰ্থ হয়। অভিজ্ঞ শৰথ কমলৰ অনুপস্থিতিত হাৰ্মিত দেশাই, সত্য জ্ঞানছেকাৰনে আটাইকেইখন মেছতে জয়লাভ কৰে। নিউজিলেণ্ড দলে ভাৰতীয় খেলুৱৈসকলৰ সন্মুখত বিশেষ প্ৰত্যাহ্বান আগবঢ়াবলৈ সক্ষম নহ'ল।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান
ই-মেইলঃ newsnextne@gmail.com